অধ্যায় ১১ ঃ মন্ত্রাধিকাৰ

অধ্যায় গাঁথনি

১১.১ উদ্দেশ্য
১১.২ পৰিচয়
১১.৩ অর্থশাস্ত্র আৰু মন্ত্রাধিকাৰ
১১.৪ পঠনীয় বিষয়বস্তু
১১.৫ মন্ত্রাধিকাৰৰ বিশেষত্ব তথা গুৰুত্ব
১১.৬ বিশিষ্ট শব্দৰ অর্থ
১১.৭ গুৰুত্বপূর্ণ বাক্যৰ ব্যাখ্যা
১১.৮ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ
১১.৯ অধিক জানিবলৈ
১১.১০ অগ্রগতিৰ খতিয়ান
১১.১১ আৰ্হি প্রশ্ন

১১.১ উদ্দেশ্য

এই অধ্যায়টি অধ্যয়ন কৰি আপুনি -

- কৌটিল্যৰ অর্থশাস্ত্রৰ বিষয়ে জানিব
- মন্ত্রাধিকাৰৰ বিষয়বস্তুৰ লগত পৰিচিত হ'ব
- মন্ত্রাধিকাৰত থকা বিষয়ৰ গুৰুত্ব সম্পর্কে অৱগত হ'ব
- প্রাচীন ভাৰতবর্ষত ৰাজ্যশাসনত এই বিষয়খিনিয়ে কেনেদৰে প্রভাৱ পেলাইছিল সেই বিষয়ে জানিব
- মন্ত্রাধিকাৰত ব্যৱহাৰ হোৱা বিশেষ শব্দবোৰৰ অর্থৰ বিষয়ে জানিব
- এই অংশত কৌটিল্যই ব্যৱহাৰ কৰা গুৰুত্বপূর্ণ বাক্যসমূহৰ ব্যাখ্যাৰ লগত পৰিচিত হ'ব।

১১.২ পৰিচয়

আপুনি ইতিমধ্যে কৌটিল্যৰ অর্থশাস্ত্রৰ বিষয়ে শুনিছে। অর্থশাস্ত্রখন সংস্কৃত সাহিত্যৰ এখন অত্যন্ত গুৰুত্বপূর্ণ গ্রন্থ। প্রকৃততে এই গ্রন্থখনৰ মাজেদি প্রাচীন ভাৰতৰ শাসনব্যৱস্থা, দণ্ডনীতি, সমাজনীতি তথা মানুহৰ সাধাৰণ জীৱনযাত্রাৰ এটা স্পষ্ট প্রতিচ্ছবি ফুটি উঠিছে। ৰাজনীতিৰ বিভিন্ন দিশ সামৰি লৈ আচার্য্য কৌটিল্যই উক্ত গ্রন্থখনত বিষয়বস্তুৰ উপস্থাপনা কৰিছে। গতিকে প্রাচীন ভাৰতৰ শাসনব্যৱস্থাৰ বিষয়ে জানিব গ'লে অর্থশাস্ত্রৰ অধ্যয়ন অত্যন্ত প্রয়োজনীয়। তদুপৰি

উক্ত গ্ৰন্থত থকা বিষয়ৰ বিশালতত্বই প্ৰাচীন ভাৰতবৰ্ষৰ শাসনব্যৱস্থাৰ বহুমুখীতাৰ কথাক সোঁৱৰাই দিয়ে। এই ক্ষেত্ৰত অৰ্থশাস্ত্ৰৰ মাজত অন্তৰ্ভুক্ত হোৱা মন্ত্ৰাধিকাৰৰ গুৰুত্ব অপৰিসীম। পুৰণিকালত ৰজাসকলে ৰাজ্যশাসনৰ ক্ষেত্ৰত কোনো এটা সিদ্ধান্ত কাৰ্যকৰী কৰাৰ আগতেই মন্ত্ৰণাৰ মাজেৰে আলোচনা আগবঢ়াই লৈছিল। সুস্থ আৰু সুদৃঢ় মন্ত্ৰণাৰ ওপৰতেই শাসনৰ সাফল্য বহুখিনি নিৰ্ভৰ কৰিছিল। বৰ্তমান সময়তো উপযুক্ত আলোচনাৰ মাধ্যমেৰে লোৱা সিদ্ধান্তই ফলপ্ৰসূ হোৱা দেখিবলৈ পোৱা যায়। গতিকে প্ৰাচীন ভাৰতবৰ্ষত ৰজাসকলে সিদ্ধান্ত লোৱাৰ আগতে কেনেদৰে আলোচনাত প্ৰবৃত্ত হৈছিল, কাৰ লগত ৰজাসকলে আলোচনা কৰিছিল আৰু আলোচনা কৰোতে কোন কোন বিষয়ৰ ওপৰত গুৰুত্ব দিছিল— এই সকলো বিষয়ে জনাটো বৰ্তমানৰ ছাত্ৰসকলৰ বাবে অত্যন্ত প্ৰয়োজনীয়।

অৰ্থশাস্ত্ৰত থকা অধিকাংশ বিষয়ৰ প্ৰাসংগিকতা আজিৰ যুগতো গভীৰভাৱে অনুভৱ কৰা যায়। এই সকলো কথা আগত ৰাখি বৰ্তমান অধ্যায়টো পাঠ্যাংশ হিচাপে যুগুত কৰা হৈছে। উক্ত অধ্যায়টোৰ বিষয়বস্তুখিনি জানিলে ৰাজনীতি তথা সমাজতত্বৰ বিষয়ৰ ক্ষেত্ৰতো ছাত্ৰ এজনৰ অনুধাৱন ক্ষমতা বাঢ়ি যাব। গতিকে কৌটিল্যৰ অৰ্থশাস্ত্ৰত থকা মন্ত্ৰাধিকাৰ শীৰ্ষক অংশটোৰ অধ্যয়নে ছাত্ৰ এজনক জীৱনৰ বিভিন্ন ক্ষেত্ৰত সিদ্ধান্ত গ্ৰহণত সহায় কৰিব। সেইবাবেই এই অধ্যায়টোৰ উপযোগিতা অপৰিসীম।

১১.৩ অৰ্থশাস্ত্ৰ আৰু মন্ত্ৰাধিকাৰ

প্ৰাচীন ভাৰতৰ অধ্যয়ন ক্ষেত্ৰত উপলব্ধ মূল্যবান গ্ৰন্থসমূহৰ ভিতৰত কৌটিল্যৰ অৰ্থশাস্ত্ৰ অন্যতম। যদিও কৌটিল্যৰ বিষয়ে পোৱা তথ্য প্ৰায় নাই বুলিয়ে ক'ব পাৰি, কিন্তু অৰ্থশাস্ত্ৰ গ্ৰন্থখনৰ মাজেদি লেখক হিচাপে প্ৰকাশ পোৱা ব্যক্তিজনেই যে কৌটিল্য বা চাণক্য— সেই বিষয়ে সন্দেহ নাই। নন্দবংশ ধ্বংস কৰি পাটলিপুত্ৰৰ ৰাজসিংহাসনত মৌৰ্যবংশীয় ৰজা চন্দ্ৰগুপ্তক প্ৰতিষ্ঠিত কৰাৰ আঁৰত থকা ব্যক্তিজনেই হ'ল চাণক্য বা কৌটিল্য। এই কাহিনী মুখে মুখে বাগৰি আহি আজি এটা ধাৰণাত পৰিণত হৈছেহি। বহুক্ষেত্ৰত অৰ্থশাস্ত্ৰৰ প্ৰণেতা হিচাপে ৰিষ্ণুগুপ্তৰ নামটোও সন্নিবিষ্ট হোৱা দেখিবলৈ পোৱা যায়। যেনে—

দৃষ্ট্বা বিপ্ৰতিপত্তিং বহুধা শাস্ত্ৰেষু ভাষ্যকাৰাণাম্।
স্বয়মেৱ ৰিষ্ণুগুপ্তশ্চকাৰ সূত্ৰং চ ভাষ্যং চ।।

চাণক্য, কৌটিল্য বা ৰিষ্ণুগুপ্ত একেজন ব্যক্তি হয় নে নহয়, বৰ্তমানে প্ৰাপ্ত অৰ্থশাস্ত্ৰখনৰ লগত তেওঁলোকৰ সম্বন্ধ কি— এই বিষয়সমূহক কেন্দ্ৰ কৰি বিভিন্ন আলোচনা-সমালোচনাৰ থল থাকিলেও অৰ্থশাস্ত্ৰকাৰ হিচাপে কৌটিল্য বা চাণক্যক গ্ৰহণ নকৰিলে ক্ষেত্ৰভিত্তিক অধ্যয়নত বাধাৰ সৃষ্টি হয়। এই সন্দৰ্ভত বৰ্তমান সময়ত উপলব্ধ অৰ্থশাস্ত্ৰখনৰ প্ৰণেতা কৌটিল্য বা চাণক্য বুলি স্বীকাৰ কৰি আমাৰ অধ্যয়ন আগবঢ়াই লম। তক্ষশীলাৰ এটা সম্ভ্ৰান্ত ব্ৰাহ্মণ পৰিয়ালত জন্ম গ্ৰহণ কৰা চাণক্য বা কৌটিল্যই শিশুকালৰ পৰাই অধ্যয়নপিপাসু মনৰ অধিকাৰী হৈ পৰৱৰ্তিসময়ত ভাৰতীয় শাস্ত্ৰসমূহত অগাধ ব্যুৎপত্তি লাভ কৰিবলৈ সমৰ্থ হয়। নন্দবংশীয় ৰজাৰ

পৰা পোৱা অপমানৰ প্ৰতিশোধ লোৱাৰ বাবেই তেওঁ মৌৰ্যসম্ৰাট চন্দ্ৰগুপ্তৰ কূটনৈতিক সহায়ক হিচাপে নিজকে প্ৰতিষ্ঠিত কৰিছিল। তেওঁৰ জন্মস্থান হিচাপে কোনো কোনো পণ্ডিতে 'চণক' নামৰ ঠাইডোখৰৰ কথা উল্লেখ কৰিছে। আকৌ কিছুমান পণ্ডিতৰ মতে তেওঁৰ পিতৃৰ নাম আছিল চণক। এই 'চণক' শব্দৰ লগত সংগতি ৰাখি এইজন পণ্ডিতক চাণক্য নামেৰেও অভিহিত কৰা হয়। এইখিনিতে মন কৰিবলগীয়া কথাটো হ'ল যে 'কুটিল বুদ্ধিৰ অধিকাৰী' হিচাপে কৌটিল্য নামটো জনপ্ৰিয় হ'লেও কোনো কোনো পণ্ডিতে কৌটিল্যৰ ঠাইত 'কৌটল্য' নামটো গ্ৰহণ কৰিছে। এই ক্ষেত্ৰত 'কুটল' গোত্ৰৰ অন্তৰ্ভুক্ত হোৱা বাবে 'কৌটল্য' শব্দ প্ৰয়োজ্য হোৱা বুলি তেওঁলোকে মত পোষণ কৰিছে। কিন্তু পৰবৰ্তিসময়ত কৌটিল্য নামটোৱে অধিক জনপ্ৰিয় হোৱা দেখিবলৈ পোৱা যায়।

কৌটিল্যৰচিত অৰ্থশাস্ত্ৰ গ্ৰন্থখনৰ গুৰুত্ব কি সেইবিষয়ে জনাটো অত্যন্ত প্ৰয়োজনীয়। কাৰণ 'অৰ্থশাস্ত্ৰ' গ্ৰন্থখনৰ শিৰোনামত থকা 'অৰ্থ পদটো বহুসময়তে ভুল অৰ্থত প্ৰযুক্ত হয়। বহুতেই 'অৰ্থ' পদটোক ধন বা সম্পদ বুজোৱা অৰ্থত ব্যৱহাৰ কৰি উক্ত গ্ৰন্থখনৰ বিষয়বস্তুক অব্যাপ্তি দোষদুষ্ট কৰি তোলে। কাৰণ এইখন গ্ৰন্থ কোনো অৱস্থাতেই 'অৰ্থ' (wealth) সম্বন্ধীয় শাস্ত্ৰ নহয়। প্ৰাচীন ভাৰতত প্ৰচলিত দণ্ডনীতি, ৰাজনীতি, সমাজনীতি, আয়ুৰ্বেদ, যুদ্ধবিদ্যা, তৰ্কশাস্ত্ৰ ইত্যাদি বিষয়ৰ একত্ৰীকৰণেৰে সমৃদ্ধ গ্ৰন্থ হ'ল কৌটিল্যৰ অৰ্থশাস্ত্ৰ। ক'ব গ'লে এই গ্ৰন্থৰ মাজেৰে প্ৰাচীন ভাৰতবৰ্ষখনেই সম্পূৰ্ণৰূপত প্ৰতিফলিত হৈ আছে। এই প্ৰসংগত স্বয়ং কৌটিল্যই আগবঢ়োৱা উক্তি বিশেষভাৱে প্ৰণিধানযোগ্য। তেওঁ কৈছে যে 'বৃত্তিস্থিতি'য়েই মানুহৰ মুখ্য প্ৰয়োজন। সেই ক্ষেত্ৰত মানুহৰ স্থিতিৰ জৰিয়তে মানুহৰ বাসভূমি পৃথিৱীকেই বুজোৱা হৈছে অৰ্থশব্দৰ লক্ষণাৰ মাজেদি। সেই কাৰণে অৰ্থশাস্ত্ৰত ব্যৱহাৰ হোৱা অৰ্থ পদটোৱে 'মনুষ্যৱতী ভূমিক' বুজায় বুলি কোৱা হৈছে। গতিকে কৌটিল্যৰ দৃষ্টিভংগী অনুসৰি 'অৰ্থশাস্ত্ৰ' বোলতে মনুষ্যবতী পৃথিৱীত থকা মানুহৰ বৃত্তি বা স্থিতিৰ প্ৰতিপাদক শাস্ত্ৰক বুজোৱা হৈছে। মানুহৰ স্থিতি বা বৃত্তি কেৱলমাত্ৰ অৰ্থকেন্দ্ৰিক বা সম্পদভিত্তিক হ'ব নোৱাৰে। ধন-সম্পদৰ পৰিসীমা পাৰ কৰি কল্যাণকামী কৰ্তব্য সম্পাদন কৰি আত্যন্তিক শান্তিৰ পথত আগুৱাই যোৱাৰ শিক্ষা যি শাস্ত্ৰত পোৱা যায় সেয়াই অৰ্থশাস্ত্ৰ— এই বিষয়ত দ্বিমত নাই 'মনুষ্যানাং বৃত্তিৰৰ্থঃ, মনুষ্যৱতী ভূমিৰিত্যৰ্থঃ। তস্যাঃ পৃথিব্যাঃথব্যাঃ লাভপালনোপায়শাস্ত্ৰমৰ্থশাস্ত্ৰমিতি'। অৰ্থশাস্ত্ৰ নিবেদনৰ উদ্দেশ্যই হ'ল পৃথিৱীৰ লাভ তথা পৃথিৱীৰ পালন। এই উদ্দেশ্য আগত ৰাখি প্ৰাচীন ভাৰতবৰ্ষত বিভিন্ন সময়ত, একাধিক অৰ্থশাস্ত্ৰ প্ৰণয়ন কৰা হৈছিল বুলি জনা যায় কৌটিল্যৰ ৰচনাৰ পৰা। তেওঁ অৰ্থশাস্ত্ৰৰ ৰচনাসম্পৰ্কীয় প্ৰসংগত কৈছে যে পৃথিৱীৰ লাভৰ বাবে আৰু পৃথিৱীৰ পালনৰ বাবে পূৰ্বাচাৰ্যসকলে যিবোৰ অৰ্থশাস্ত্ৰ ৰচনা কৰিছিল— সেই শাস্ত্ৰসমূহৰ বিষয় সংকলনেৰেই বৰ্তমান অৰ্থশাস্ত্ৰখন প্ৰণয়ন কৰিছে। 'পৃথিব্যা লাভে পালনে চ যাৱন্ত্যৰ্থশাস্ত্ৰানি পূৰ্বাচাৰ্যৈঃ প্ৰস্থাপিতানি প্ৰায়শাস্ত্ৰানি সংহৃত্য একমিদমৰ্থশাস্ত্ৰং কৃতম্'।

কৌটিল্যৰ অৰ্থশাস্ত্ৰ ৰাজ্যশাসনসম্বন্ধীয় বিভিন্ন বিষয়ৰ উপস্থাপনা কৰা হৈছে। বিদ্যাসমুদ্দেশ, দণ্ডনীতি, ইন্দ্ৰিয়জয়, অমাত্যনিয়োগ, দূতপ্ৰনিধি, আত্মৰক্ষা, অধ্যক্ষ প্ৰচাৰ,

শাসনাধিকাৰ আদি বিভিন্ন প্ৰসংগৰ আলোচনাৰে অৰ্থশাস্ত্ৰৰ বিষয়বস্তু সমৃদ্ধ হৈ উঠিছে। উক্ত বিষয়সমূহৰ মাজত এক বিশিষ্ট স্থান অধিকাৰ কৰি আছে 'মন্ত্রাধিকাৰ' শীৰ্ষক অধ্যায়টো। অৰ্থশাস্ত্রগ্ৰন্থৰ বিনয়াধিকাৰিকৰ প্ৰথম অধিকৰণৰ পঞ্চদশসংখ্যক অধ্যায়েই হ'ল মন্ত্রাধিকাৰ নামৰ অধ্যায়টো। ৰাজ্যশাসন বিষয়ক বিভিন্ন প্ৰসংগক কেন্দ্ৰ কৰি ৰজাই কেতিয়া, ক'ত কিমান মানুহৰ লগত গোপন আলোচনাত বহিব— সেই সকলো বিষয়ক সামৰি লৈ গঠন কৰা হৈছে মন্ত্রাধিকাৰ নামৰ অধ্যায়ৰ বিষয়বস্তুত। যদিও উক্ত বিষয় লৈ বিভিন্ন ধৰ্মশাস্ত্ৰ বা নীতিশাস্ত্ৰত আলোচনা আগবঢ়োৱা হৈছে কিন্তু অৰ্থশাস্ত্ৰত থকা 'মন্ত্রাধিকাৰ' নামৰ অধ্যায়টোৰ বিষয়বস্তুয়ে ভাৰতীয় দণ্ডনীতি বা ৰাজ্যশাসন পদ্ধতিত এক বিশেষ স্থান দখল কৰিবলৈ সমৰ্থ হৈছে। ৰাজ্যশাসনৰ এক গুৰুত্বপূৰ্ণ অংগ হ'ল মন্ত্ৰ বা গোপন আলোচনা। যিকোনো সিদ্ধান্ত লোৱাৰ আগতে যদি ৰজাই সেইবিষয় লৈ গোপন আলোচনা কৰি নলয় বা যদি ৰজাৰ আলোচনা অথবা অভিমত নিৰ্ধাৰিত সময়ৰ আগতেই প্ৰকাশ পাই যায় তেতিয়া গ্ৰহণ কৰিবলগীয়া সিদ্ধান্তই অধিকাংশ ক্ষেত্ৰতেই নিস্ফল হোৱাৰ সম্ভাৱনা থাকে। সেই কাৰণে ৰাজ্যশাসনৰ সাৰ্থকতা বহুখিনি নিৰ্ভৰ কৰে সাৰ্থক মন্ত্ৰণাৰ ওপৰত। বৰ্তমান অধ্যায়টোত সেই সকলো বিষয় সামৰি লৈ আলোচনা আগবঢ়োৱা হ'ব।



অগ্ৰগতি নিৰীক্ষণ

প্ৰশ্ন নং ১ ঃ অৰ্থশাস্ত্ৰৰ প্ৰণেতা হিচাপে পোৱা নামবোৰ কি কি ?

.....

প্ৰশ্ন নং ২ ঃ চাণক্য পদটোৰ অৰ্থ কি ?

.....

প্ৰশ্ন নং ৩ ঃ অৰ্থশাস্ত্ৰত থকা অৰ্থ পদটোৰে কি বুজায় ?

.....

প্ৰশ্ন নং ৪ ঃ অৰ্থশাস্ত্ৰ বুলিলে কি বুজায় ?

.....

প্ৰশ্ন নং ৫ ঃ অৰ্থশাস্ত্ৰ ৰচনাৰ উদ্দেশ্য কি আছিল ?

.....

১১.৪ পঠনীয় বিষয়বস্তু

আপুনি ইতিমধ্যে জানিব পাৰিছে যে কৌটিল্য বিৰচিত অৰ্থশাস্ত্ৰৰ বিনয়াধিকাৰিকৰ প্ৰথমাধিকৰণৰ পঞ্চদশ অধ্যায়টোৰ শিৰোনাম হ'ল মন্ত্রাধিকাৰ। মন্ত্রাধিকাৰত 'মন্ত্ৰ' বা ৰজাৰ গোপন মন্ত্ৰণাৰ বিষয়ে বিভিন্ন প্ৰসংগ উত্থাপন কৰিছে আচৰ্য কৌটিল্যই। এই ক্ষেত্ৰত কৌটিল্যই আন আন বিষয়ত কৰা আলোচনা পদ্ধতিৰ দৰে পূৰ্বপক্ষ উত্থাপন কৰি সন্দেহ নিৰশনপূৰ্বক সিদ্ধান্তত উপনীত হৈছে। তদুপৰি বিভিন্ন ক্ষেত্ৰত তেওঁ পূৰ্বাচাৰ্যসকলৰ অভিমত উপস্থাপন

কৰিছে। ইয়াতে 'মন্ত্রাধিকাৰ' শীৰ্ষক অংশটোৰ অসমীয়া ভাবানুবাদ দাঙি ধৰা হ'ল।

স্বপক্ষ আৰু পৰপক্ষক বশীভূত কৰি (ৰাজ্যশাসন বিষয়ক সকলো) কাৰ্যৰ আৰম্ভ বিবেচনা কৰা উচিত। সকলো কাৰ্যৰ আৰম্ভই মন্ত্রপূৰ্বক হয়। মন্ত্রণাৰ স্থান সংৰক্ষিত (থাকিব), কথাবোৰ বাহিৰত নোযোৱা (হ'ব লাগিব), চৰাইবোৰৰ দৃষ্টিৰো অগোচৰ হ'ব লাগিব। শুনিবলৈ পোৱা যায় যে শুক, শাৰিকাই মন্ত্রণা ব্যক্ত কৰি দিছে আৰু কুকুৰ তথা নীচপ্রাণীসমূহৰ দ্বাৰাও (মন্ত্রণা ব্যক্ত হৈছে)।

সেইকাৰণে অনিযুক্তজনে মন্ত্রণাৰ ঠাইত নাযাব, মন্ত্রণা প্রকাশ কৰি দিয়াজনক উচ্ছেদ কৰা উচিত। দূত, অমাত্য তথা ৰজাৰ ইংগিত আৰু আকাৰেৰে মন্ত্রভেদ হয়। আনধৰণে কৰা বৃত্তি হ'ল ইংগিত আৰু আকৃতিগ্রহণক আকাৰ বোলে।

সেইটোৰ (মন্ত্রণাৰ) গোপনীয়তা তথা নিযুক্ত পুৰুষৰ ৰক্ষা কৰিব লাগে কার্যসিদ্ধি নোহোৱা সময়লৈকে। কাৰণ তেওঁলোকৰ (নিযুক্ত পুৰুষসকলৰ) প্রমাদ, মত্ততা, শয়নকালীনপ্রলাপ, কাম আদিৰ প্রক্ষেপ অথবা প্রচ্ছন্ন বা অৱজ্ঞাত জনে মন্ত্রভেদ কৰে। সেই কাৰণে মন্ত্রৰক্ষা কৰা উচিত। মন্ত্রভেদে ৰজা আৰু তেওঁৰ আয়ুক্তপুৰুষসকলৰ যোগ আৰু ক্ষেমৰ বিনাশ কৰে। সেই কাৰণে (ৰজাই) অকলে গোপনভাবে মন্ত্রণা কৰিব লাগে।— ভৰদ্বাজ পুত্রই (দ্রোণাচার্য্য) কৈছে। কাৰণ মন্ত্রীসকলোৰো মন্ত্রী থাকে। তেওঁলোকৰো থাকে বেলেগ (মন্ত্রী)। এনেকুৱা মন্ত্রী পৰস্পৰাই মন্ত্র ভেদ কৰে। সেই বাবে এইজনৰ (ৰজাৰ) কোনোধৰণৰ কৰিব খোজা কামৰ বিষয়ে আনে জনাটো উচিত নহয়। (কেবল) কৰা মানুহবোৰে আৰব্ধ কর্ম বা সম্পাদিত কর্মৰ বিষয়ে জানিব লাগে।

বিশালাক্ষৰ মতে অকলে মন্ত্রসিদ্ধি সম্ভৱপৰ নহয়। কাৰণ ৰাজকার্য প্রত্যক্ষ-পৰোক্ষ-অনুমানসাপেক্ষ অনুপলবদ্ধ বিষয়ৰ জ্ঞান, উপলব্ধ জ্ঞানৰ দৃঢ়ীকৰণ, অর্থদ্বৈধ বিষয়ত সংশয়মুক্তি, একাংশ উপলব্ধ বিষয়ৰ অবশিষ্ট অংশ উপলব্ধি— এই সকলোবোৰে মন্ত্রিসাধ্য বিষয়।

সেয়েহে জ্ঞানবৃদ্ধসকলৰ সৈতে মন্ত্রণা কৰিব (ৰজাই) কাকো অপমান কৰা উচিত নহয়, সকলোৰে অভিমত শুনা উচিত। বালকৰো যদি বাক্য অর্থসমৃদ্ধ হয়, পণ্ডিতে তাৰ উপযোগ কৰা উচিত।

পৰাশৰসম্প্রদায়ৰ মতে 'এয়া মন্ত্রজ্ঞান কিন্তু মন্ত্রৰক্ষা নহয়'। এওঁৰ (ৰজাৰ) যি কার্য অভিপ্রেত, তৎসদৃশ কার্যৰ বিষয়ে (তেওঁ) মন্ত্রীসকলক শুধিব লাগে। 'এই কার্য এনেকুৱা আছিল, এতিয়া যদি এনেদৰে হয়, তেতিয়াহ'লে কি প্রকাৰে কৰিব লাগে'। তেওঁলোকে যিদৰে কয়, সেয়াই কৰাটো উচিত, এইদৰে কৰিলে মন্ত্রজ্ঞানো হ'ব আৰু মন্ত্রৰক্ষণো সম্ভৱ হ'ব।

পিশুনৰ মতে এয়া নহয়। কাৰণ ভিন্নভাবে উপস্থাপিত সংঘটিত অথবা অসংঘটিত বিষয়সম্বন্ধে জিজ্ঞাসিত হৈ মন্ত্রীসকলে অনাদৰৰ সৈতে ক'ব বা প্রকাশ কৰিব। সেয়া দোষৰ হ'ব। গতিকে কার্যসম্বন্ধে যিসকলে অভিপ্রেত, তেওঁলোকৰ সৈতেহে মন্ত্রণা কৰিব লাগে। তেওঁলোকৰ সৈতে মন্ত্রণা কৰিলে মন্ত্রজ্ঞানো হ'ব মন্ত্রসংৰক্ষণও হ'ব।

কৌটিল্যৰ মতে এয়া নহয়। এয়া অনবস্থা প্রসংগ। তিনিজন বা চাৰিজন মন্ত্রীৰ লগত (ৰজাই) মন্ত্রণা কৰা উচিত। কাৰণ এজনৰ লগত মন্ত্রণা কৰিলে সংকট কালত তেওঁ কার্যনিশ্চিত

কৰিব নোৱাৰে। এজন মন্ত্রী হ'লে নিজৰ ইচ্ছা অনুসৰি প্রতিদ্বন্দ্বীহীনভাৱে অভিমত কার্যকৰী কৰিব পাৰে। যদি দুইজনৰ লগত মন্ত্রণা হয়, তেনেহ'লে একেলগ হৈ সেই দুজনে নিজৰ অভিমত কার্যকৰী কৰিব পাৰে অথবা পৰস্পৰ বিৰোধীভাবাপন্ন হ'লে ৰজাৰ বিনাশ হয়। তিনিজন বা চাৰিজন মন্ত্রী থাকিলে সহজতে (স্বৱশত আনিব পাৰা বিধৰ) মহাদোষ উৎপন্ন নহয়। হ'লেও কঠিন হয় (কেতিয়াবাহে হোৱাৰ সম্ভাৱনা থাকে)।

ইয়াতকৈ অধিক সংখ্যা হ'লে অতিকষ্টেৰেহে অর্থ নিশ্চয় হয় (অর্থাৎ কার্যসিদ্ধি হয়) অথবা মন্ত্রসংৰক্ষণ হয়।

দেশ, কাল, কার্য হিচাপে ৰজাই এজন বা দুজন মন্ত্রীৰ লগতো মন্ত্রণা কৰিব পাৰে অথবা সামর্থ অনুসৰি অকলেই মন্ত্রবিচাৰ কৰিব পাৰে। কর্মাৰম্ভৰ উপায়, পুৰুষ তথা দ্রব্যসম্পত্তি, দেশ আৰু কাল বিভাজন, বিঘ্নপ্রতিকাৰ আৰু কার্যসিদ্ধি— এই পাঁচটি হ'ল মন্ত্রৰ অংগ। ৰজাই তেওঁলোকক (মন্ত্রীসকলক) পৃথকে পৃথকে অথবা একেলগে শুধিব পাৰে এই বিষয়সম্পর্কে। যুক্তিৰে তেওঁ (ৰজাই) তেওঁলোকৰ (মন্ত্রীসকলৰ) মত পার্থক্য জানি ল'ব, জনাৰ পিছত সময় নষ্ট নকৰিব। বেচি সময় মন্ত্রণা কৰি নাথাকিব, যিপক্ষৰ অপকাৰ সিদ্ধান্তিত হৈছে সেই পক্ষৰ মানুহৰ লগতো কোন মন্ত্রণা নকৰিব (ৰজাই)।

মনুসম্প্রদায়ৰ মতে, 'দ্বাদশসংখ্যক মন্ত্রীক লৈ মন্ত্রীপৰিষদ গঠন কৰা উচিত।' বৃহস্পতি সম্প্রদায়ৰ মতে 'ষোল্লজন লৈ'। শুক্রাচার্যৰ শিষ্যসকলৰ মতে 'বিশজন'। কৌটিল্যৰ মতে 'সামর্থ্য অনুসৰি' (অর্থাৎ পুৰুষৰ দক্ষতা তথা কার্যৰ গভীৰত্ব অনুধাৱন কৰি সংখ্যা নির্ধাৰণ কৰিব লাগে)।

তেওঁলোকে (সেই মন্ত্রীসকল) এওঁৰ (ৰজাৰ) স্বপক্ষ আৰু পৰপক্ষসম্বন্ধীয় (কার্যৰ) চিন্তা কৰিব লাগে। তেওঁলোকে অকৃতকার্যৰ আৰম্ভ, আৰব্ধ কার্যৰ অনুষ্ঠান, অনুষ্ঠিত কার্যৰ বিশেষ সম্পাদন, নিযুক্তপুৰুষৰ কর্মপ্রকর্ষৰ বিষয়ে বিচাৰ কৰিব লাগে তথা (ৰজাই) ওচৰত থকা মন্ত্রীসকলৰ সৈতে কার্য নিৰীক্ষণ কৰিব লাগে। দূৰত থকা সকলৰ লগত পত্রপ্রেৰণেৰে মন্ত্রণা কৰা উচিত। ইন্দ্রৰ পৰিষদত এক হাজাৰ ঋষি আছিল। এওঁলোক তেওঁৰ চকু (আছিল)। সেই কাৰণে দুটা চকুৰ গৰাকী এওঁক (ইন্দ্রিক) সহস্রাক্ষ বুলি কয় (পণ্ডিতসকলে)।

অতি প্রয়োজনীয় কার্যত মন্ত্রীসকলক আৰু মন্ত্রীপৰিষদক মাতি আনি তেওঁ (ৰজাই) ক'ব। তাত থকা অধিকসংখ্যক কার্যসিদ্ধিৰ বিষয়ে যিটো ক'ব তেওঁ (ৰজাই) সেয়াই কৰিব। এইদৰে কৰা এওঁৰ (ৰজাৰ) গোপনীয় মন্ত্রণাৰ বিষয়ে শত্রুয়ে জানিব নালাগে, এওঁহে শত্রুৰ ছিদ্র (দুর্বলতা) জানিব লাগে। কাছই অংগ লুকুৱাৰ দৰে এওঁ (ৰজাই) নিজৰ বিষয়বোৰক সঙ্গোপনে ৰাখিব। কেনেদৰে অশ্রোত্রিয় ব্যক্তিয়ে সজ্জনৰ শ্রাদ্ধভোগ কৰিব নোৱাৰে সেইদৰে শাস্ত্রার্থ (ৰাজনীতিশাস্ত্রৰ অর্থ) নুশুনা মানুহেও মন্ত্রণা শুনাৰ যোগ্য নহয়।

এয়া কৌটিল্যপ্রণীত অর্থশাস্ত্রৰ বিনয়াধিকাৰিকত থকা প্রথমাধিকৰণৰ মন্ত্রাধিকাৰ নামৰ পঞ্চদশঅধ্যায়।

এইখিনিতে পঢ়ুৱৈসকলৰ সুবিধাৰ বাবে মূল পাঠ্যাংশখিনি সংযুক্ত কৰা হৈছে।

মত্রাধিকাৰ ঃ

কৃতস্বপক্ষপৰপক্ষোপগ্রহ ঃ কার্যাৰম্ভান্ চিন্তয়েৎ। মন্ত্রপূর্বাস্বর্বাৰম্ভাঃ। তদুদ্দেশঃ সংবৃতঃ কথানামনিঃ স্বাবী পক্ষিভিৰপ্যনালোক্যৰস্যাত। শ্রুয়তে হি শুকশাৰিকাভিঃ মন্ত্রো ভিন্নশ্চভিৰন্যৈশ্চ তির্যগ্যোনিভিঃ।

তস্মান্মত্রীদ্দেশমনাযুক্তো নোপগচ্ছেৎ। উচ্ছিদ্যেত মন্ত্রভেদী। মন্ত্রভেদো হি দূতামাত্যস্বামিনামিঙ্গিতাকাৰাভ্যাম্। ইংগিত- মন্যথাবৃত্তিঃ। আকৃতিগ্রহণমাকাৰঃ।

তস্য সংবৰণং আযুক্তপুৰুষৰক্ষণমা কার্যকালাদিতি। তেষাং হি প্রমাদমদসুপ্তলাপকাম দিৰুত্সেকঃ প্রছন্নো২বসতো বা মন্ত্রং ভিনত্তি।

তস্মাদ্রক্ষেণ্মন্ত্রম্—।

মন্ত্রভেদোহ্যযোগক্ষেমকৰঃ ৰাঞ্জস্তদাযুক্তপুৰুষাণাং চ। তস্মাৎ— 'গুহ্যমেকো মন্ত্রযেতেতি' ভাৰদ্বাজঃ। মন্ত্রিণামপি হি মন্ত্রিণো ভবন্তি তেষামপ্যন্তে। সৈষা মন্ত্রিপৰম্পৰা মন্ত্র ভিনত্তি।

তস্মান্নাস্য পৰে বিদ্যুঃ কর্ম কিঞ্চিকীর্ষিতম্।

আৰব্ধাৰস্তু জানীযুৰাৰব্ধং কৃতমেব বা।।

নৈকস্য মন্ত্রসিদ্ধিৰস্তীতি বিশালাক্ষঃ। প্রত্যক্ষপৰোক্ষানুমেয়া হি ৰাজবৃত্তিঃ। অনুপলব্ধস্য জ্ঞানমুপলব্ধস্য নিশ্চয়বলা ধানমর্থদ্বৈধস্য শংশয়চ্ছেদনমেকদেশদৃষ্টস্য শেষোপলব্ধিৰিতি মন্ত্রিসাধ্যমেতৎ। তস্মাদুদ্ধিবৃদ্ধৈঃ সার্ধমাসীত মন্ত্রম্।

ন কিঞ্চদবমন্যেত সর্বস্য শৃণুয়ান্মতম্।

বালস্যাপ্যর্থবদ্বাক্যসুপযুঞ্জীত পণ্ডিতঃ।।

'এতন্মন্ত্রজ্ঞানং নৈতন্মন্ত্রৰক্ষণমিতি' পৰাশৰঃ। যদস্য কার্যমভিপ্রেতং তৎপ্রতিৰূপকং মন্ত্রিণঃ পৃচ্ছেৎ। 'কার্যমিদমেবমাসীদেবং বা যদি ভবেতত্ কথং কর্তব্যমিতি'। তে যথা ব্রুযুঃ তৎকুর্যাৎ। এবং মন্ত্রোপলব্ধিঃ সংবৃতিশ্চ ভবতীতি।

'নেতি' পিশুনঃ। মন্ত্রিণো হি ব্যবহিতমর্থং বৃত্তমবৃত্তং বা পৃষ্টমনাদৰণে ব্রুবন্তি প্রকাশয়ন্তি বা। স দোষঃ। তস্মাৎ কর্মসু যে যেষ্বভিপ্রেতাস্তৈসঃ সহ মন্ত্রয়েৎ। তৈর্মন্ত্রয়মাণো হি মন্ত্রবুদ্ধিং গুপ্তিং চ লভত ইতি।।

'ন' ইতি কৌটিল্যঃ। অনবস্থা হ্যেষা। মন্ত্রিভিস্বিভি- শ্চতুর্ভির্বা সহ মন্ত্রয়েত। মন্ত্রয়ষাণো হ্যেকেনার্থকৃচ্ছ্রেষু নিশ্চয়ং নাধিগচ্ছেৎ। একশ্চ মন্ত্রী যথেষ্টমনবগ্রহশ্চৰাতে। দ্বাভ্যাং মন্ত্রয়মাণো দ্বাভ্যাং সংহতাভ্যামবহগৃহ্যতে। বিগৃহীতাভ্যাং বিনাশ্যতে। ত্রিষু চতুর্ষু বা নৈকান্তং কৃচ্ছ্রেণোপপদ্যতে মহাদোষম। উপপন্নং তু ভবতি। ততঃ পৰেষু কৃচ্ছ্রের্ণার্থনিশ্চয়ো গম্যতে মন্ত্রো বা ৰক্ষ্যতে। দেশকালকার্যবশেন ত্বেকেন সহ দ্বাভ্যামেকো বা যথাসামর্থ্যং মন্ত্রযেত।

কর্মণামাৰম্ভোপায়ঃ, পুৰুষদ্রব্যসম্পৎ, দেশকালবিভাগঃ, বিনিপাত-প্রতীকাৰঃ, কার্যসিদ্ধিৰিতি পঞ্চাঙ্গো মন্ত্রঃ। তানেকৈকশঃ পৃচ্ছেৎ সমস্তাশ্চ।। হেতুভিশ্চৈষাং মতিপ্রবিবেকান্ বিদ্যাৎ। অবাপ্তার্তঃ কালং নাতিক্রাময়েৎ। ন দীর্ঘকালং মন্ত্রয়েত ন চ তেষাং পক্ষ্যের্যেষাং অপকুর্যাত।

'মন্ত্রিপৰিষদং দ্বাদশামাত্যান্ কুর্বীতেতি' মানবাঃ।

'ষোড়শোতি' বাৰ্হস্পত্যাঃ।

'বিংশতিম' ইত্যৌশনসাঃ।

'যথাসামর্থ্যম্' ইতি কৌটিল্যং।

তে হাস্য স্বপক্ষং পৰপক্ষং চ চিন্তযেযুঃ। অকৃতাৰম্ভমা-ৰব্ধানুষ্ঠানমনুষ্ঠিতবিশেষং নিযোগসম্পদং চ কর্মণাং কুর্যুঃ। আসন্নৈঃ সহ কার্যানি পশ্যেৎ। অনাসন্নৈঃ সহ পত্রসম্প্রেষণেন মন্ত্রযেত। ইন্দ্রস্য হি মন্ত্রিপৰিষদ্দযীণাং সহস্রম্। স তচ্চক্ষুঃ। তস্মাদিমং দ্যক্ষং সহস্রাক্ষমাহুঃ।

আত্যযিকে কার্যে মন্ত্রিণো মন্ত্রিপৰিষদং চাহুয ব্রুয়াৎ। তত্র যদ্ভূযিষ্টাঃ কার্যসিদ্ধিকৰং বা ব্রুযুস্তৎ কুর্যাৎ। কুর্বতশ্চ —

নাস্য গুহ্যং পৰে বিদ্যুঃ ছিদ্রং বিদ্যাৎ পৰস্য চ।

গুহেৎ কুর্ম ইবাঙ্গানি যৎস্যাদ্বিবৃতমাত্মনঃ।।

যথা হি শ্রোত্রিয়ঃ শ্রাদ্ধং ন সতাং ভোক্তমর্হসি।

এবমশ্রতশাস্ত্রার্থো ন মন্ত্রং শ্রোতুমর্হসি।।

ইতি কৌটিলাযার্থশাস্ত্রে বিনয়াধিকাৰিকে প্রামাধিকৰণে পঞ্চদশো২ধ্যায়ঃ মন্ত্রাধিকাৰঃ।

১১.৫ মন্ত্রাধিকাৰৰ বিশেষত্ব তথা গুৰুত্ব

কৌটিল্যৰ মতে ৰজাৰ শাসনৰ বাবে ৰাজনীতিৰ সাফল্য নির্ভৰ কৰে উপযুক্ত মন্ত্রণাৰ ওপৰত। মন্ত্র বা মন্ত্রণা যিমানেই গোপন থাকিব সিমানেই ৰজাৰ ৰাজনীতিত উৎকর্ষ আহিব। কাৰণ মন্ত্রণাৰ ওপৰত নির্ভৰ কৰিহে ৰজাই সামদানাদিকার্যৰ সিদ্ধান্ত লয় আৰু এইসমূহৰ যোগেদিহে ৰজাৰ কূটনৈতিক স্থিতি থাকে। সেই কাৰণে কৌটিল্যই কৈছে— মন্ত্রপূর্বাঃ সর্বাৰম্ভাঃ। কিন্তু এইখিনিতে মন কৰিবলগীয়া কথাটো যে মন্ত্র বা মন্ত্রণাৰ গুৰুত্ব প্রতিপাদনৰ লগে লগে কৌটিল্যই মন্ত্রসংৰক্ষণৰ ওপৰতো গুৰুত্ব দি আহিছে। ৰজাই গোপনে লোৱা সিদ্ধান্ত বা গুপ্তভাবে কৰা আলোচনা বিভিন্ন সূত্রেৰে বাহিৰলৈ ওলাই অহাৰ সম্ভাৱনা থাকে। চৰাই, চিৰিকতি, মানুহ আদিয়ে বিভিন্ন সময়ত নিজৰ কার্যৰ মাজেদি ৰজাৰ মন্ত্রণাৰ বিষয়ে সম্ভেদ দিয়ে। আনকি কেতিয়াবা মানুহৰ শাৰীৰিক আকাৰ-ইংগিতেৰেও মন্ত্রভেদ হ'ব পাৰে। এই বিষয়ে ৰজাই বিশেষ সাৱধানতা অৱলম্বন কৰাটো একান্ত জৰুৰী বুলি প্রতিপাদন কৰা হৈছে মন্ত্রাধিকাৰ শীর্ষক অধ্যায়টোত। এই ক্ষেত্রত মন্ত্রী পৰিষদত থাকিবলগীয়া মন্ত্রীৰ সংখ্যাৰ বিষয়েও কৌটিল্যই বিতং আলোচনা আগবঢ়াইছে। প্রকৃততে মন্ত্রীসকলৰো নিজা নিজা মন্ত্রী বা মানুহ থাকে। এজন এজন মন্ত্রীয়ে নিজৰ মানুহৰ মাজত ৰজাই কৰা মন্ত্রণা বা গোপন আলোচনাৰ বিষয়ে ইংগিত দিয়াৰ লগে লগে সেই আলোচনা বহুতৰ ওচৰত মুকলি হৈ যায় আৰু ইয়াৰ লগে লগে মন্ত্রৰ গোপনীয়তা নষ্ট হয়। মন্ত্রভেদে বিভিন্ন দিশত ৰজাৰ বিপর্যয় মাতি আনে। গতিকে মন্ত্রণাৰ সময়ত মন্ত্রীৰ সংখ্যা বা মন্ত্রীৰ সামর্থ্যৰ বিষয়ে ৰজাই মনোযোগ দিয়াটো উচিত বুলি উক্ত অধ্যায়টোত বুজাই দিয়া হৈছে।

মন্ত্রৰ পাঁচটা অংগই অত্যন্ত গুৰুত্বপূর্ণ। প্রত্যেকটো অংগ বা স্তৰতেই মন্ত্রৰ বিশেষ বিশেষ কার্যকাৰিতা থাকে। সেইকাৰণে মন্ত্রৰ প্রত্যেকটো অংগৰেই গুৰুত্ব ৰক্ষা কৰাটো সকলোৰে কর্তব্য।

কার্য আৰম্ভৰ উপায়, পুৰুষ আৰু দ্রব্যসম্পত্তি, দেশকালবিভাজন, বিঘ্নপ্রতীকাৰ আৰু কার্যসিদ্ধি— এই পাঁচটা অঙ্গেৰে ৰজাৰ মন্ত্র বা গোপন আলোচনাই সম্পূর্ণতা পায়। ৰজাই মন্ত্রীপৰিষদত থকা মন্ত্রীসকলৰ লগত এই পাঁচটা বিষয়তেই আলোচনা কৰি লৈ সময় নষ্ট নকৰি ক্ষিপ্রতাৰে ব্যৱস্থাপক সিদ্ধান্ত ল'ব লাগে বুলি স্পষ্টকৈ উল্লেখ কৰা হৈছে মন্ত্রাধিকাৰত। মন্ত্রণাবিষয়টো যি পক্ষৰ উদ্দেশ্যে প্রযুক্ত হ'ব বা যিসকলৰ বিৰুদ্ধে মন্ত্রণাৰ সহায়ত কোনো সিদ্ধান্ত গৃহীত হৈছে সেই পক্ষৰ মানুহৰ লগত ৰজাই কোনো ধৰণৰ আলোচনাত লিপ্ত হ'ব নালাগে বুলি কৌটিল্যই স্পষ্টকৈ ব্যক্ত কৰিছে।

তদুপৰি আচার্য কৌটিল্যই উক্ত অধ্যায়টোত সমাজতাত্ত্বিক মনেৰে বিশ্লেষণ কৰি দেখুৱাইছে যে কিদৰে এজন মন্ত্রীৰ অস্তিত্বই ৰজাক বিপথে চালিত কৰিব পাৰে অথবা দুজন মন্ত্রীয়ে একেলগে হৈ ৰজাক ভুল সিদ্ধান্ত ল'বলৈ বাধ্য কৰাব পাৰে। তেওঁ আকৌ কৈছে যে যদি মন্ত্রীপৰিষদত থকা দুজন মন্ত্রীৰ মাজত মতানৈক্য থাকে তেতিয়াহ'লে তেওঁলোকৰ সিদ্ধান্ত কেতিয়াও সংহত নহয় আৰু তেওঁলোকৰ অসংযত সিদ্ধান্তই অতি সহজেই ৰজাৰ বিপদ মাতি আনিব পাৰে।

মন্ত্রাধিকাৰশীর্ষক অধ্যায়টোৰ গুৰুত্ব আলোচনা কৰিব গ'লে এটা কথা স্মৰণ কৰিব লাগিব যে অর্থশাস্ত্রৰ আন আন অধ্যায়ৰ দৰে কৌটিল্যই ইয়াতো আচার্য মনু তথা আন আন ধর্মশাস্ত্রজ্ঞ তথা নীতিশাস্ত্রজ্ঞৰ অভিমত দাঙি ধৰিছে। পূর্বাচার্যসকলৰ অভিমত সংযোজনেৰে উক্ত অধ্যায়টোৰ বিষয়বস্তু সম্বন্ধীয় গুৰুত্ব অধিক বৃদ্ধি পাইছে বুলি ক'ব পৰা যায়। সমান্তৰালভাৱে এয়াও প্রণিধানযোগ্য যে পূর্বাচার্যসকলৰ সকলো অভিমত কিন্তু কৌটিল্যই সকলো সময়তে সম্পূর্ণৰূপত গ্রহণ কৰা নাই। বহুতো সময়তে তেওঁ পূর্বাচার্যসকলৰ অভিমত খণ্ডন কৰি নিজৰ ফালৰ পৰা বিশেষ অভিমত দাঙি ধৰিছে। বর্তমান অধ্যায়টোতো দেখিবলৈ পোৱা যায় যে কৌটিল্যই আচার্য মনুৰ অভিমত, শুক্রাচার্য তথা বৃহস্পতিদেৱৰ শিষ্যসকলে দাঙি ধৰা অভিমত উল্লেখ কৰাৰ পিছত যুক্তিপ্রদর্শনেৰে নিজৰ সিদ্ধান্ত ব্যক্ত কৰিছে।

এই প্রসংগত আচার্য কৌটিল্যই মন্ত্রীসকলৰ লগত কৰা ৰজাৰ আলোচনাৰ গুৰুত্বও প্রকাশ কৰিছে। প্রকৃততে মন্ত্রীসকলৰ লগত আলোচনা কৰি, তেওঁলোকে দিয়া সিদ্ধান্ত অনুসৰি ৰজাই আগুৱাব লাগে। প্রকৃততে ৰাজকার্যত মন্ত্রীসকলে ৰজাৰ চকুৰ দৰে কাম কৰে। এজন ৰজাৰ মাত্র দুটা চকু থাকিও মন্ত্রীৰ চকুৰে বিষয়সমূহ লক্ষ্য কৰি ৰজাই সফল সিদ্ধান্তত উপনীত হ'ব পাৰে বুলি জনা যায় বর্তমান অধ্যায়টোত থকা বিষয়বস্তুৰ পৰা। দেবৰাজ ইন্দ্রৰ সভাত সহস্র ঋষিয়ে মন্ত্রীত্ব গ্রহণ কৰা বাবে ইন্দ্রক 'সহস্রাক্ষ' বুলি অভিহিত কৰা হয়। সেইফালৰ পৰা ক'ব গ'লে মন্ত্রীসকলৰ সুস্থ চিন্তা তথা সঠিক সিদ্ধান্তই ৰাজনীতিৰ সাফল্যৰ কাৰণ— এই কথাটো স্পষ্ট হৈ পৰিছে মন্ত্রাধিকাৰ নামৰ অধ্যায়ত থকা বিষয়বস্তুৰ মাজেদি। শাস্ত্রজ্ঞান তথা শাস্ত্রপাঠৰ দ্বাৰাহে ৰাজনীতিৰ সাফল্য সম্ভৱপৰ হয়। সেই কাৰণে শাস্ত্রৰ জ্ঞান থকা মন্ত্রীৰ লগতেহে ৰজাই মন্ত্রণা কৰা উচিত। অন্যথা ৰজাৰ গোপন আলোচনাই যথোচিত মূল্যৰ অধিকাৰী নহয়।

১১.৬ বিশিষ্ট শব্দৰ অর্থ

আচার্য কৌটিল্যৰ অর্থশাস্ত্রত থকা আন আন অধ্যায়ৰ দৰে মন্ত্রাধিকাৰ শীর্ষক অধ্যায়টোতো বহুতো পাৰিভাষিক শব্দ তথা গুৰুত্বপূর্ণ পদৰ ব্যৱহাৰ হোৱা দেখিবলৈ পোৱা যায়। এই শব্দবোৰৰ অধিকাংশই ৰাজ্য শাসনসম্বন্ধীয় বা ৰাজনীতিবিষয়ক এনেধৰণৰ শব্দবোৰৰ বিশেষ অর্থৰ জ্ঞান নাথাকিলে নির্দিষ্ট বিষয়টোৰ অর্থ বোধগম্য নহয়। সেইকাৰণে এই অংশত কিছুমান তেনেকুৱা শব্দৰ অর্থ দাঙি ধৰা হ'ল। এয়া যে কেৱল কৌটিল্যৰ বচনৰ অর্থ দাঙি ধৰিব সেয়া নহয়, এয়া প্রাচীন ভাৰতৰ ৰাজনীতি সম্বন্ধীয় বহুতো বিষয়ৰ সম্ভেদো দিব।

(ক) স্বপক্ষ = ৰজাৰ নিজৰ পক্ষ। আলোচনাৰ বাবে ৰজাই বিশ্বাসত লোৱা মানুহবোৰক একেলগে স্বপক্ষ বুলি কোৱা হয়। ৰজাৰ নিজৰ দেশৰ পুৰুষসকলকো স্বপক্ষ বুলি অভিহিত কৰা হয়।

(খ) পৰপক্ষ = পৰপক্ষ শব্দটোৱে সাধাৰণতে শত্রুপক্ষক বুজায়। কিন্তু বহুতো প্রসংগত বেলেগ ৰাজ্যৰ মানুহবোৰকো সামগ্রিকভাৱে পৰপক্ষ বুলি অভিহিত কৰা দেখিবলৈ পোৱা যায়।

(গ) সংবৃত = সংবৃত শব্দৰ ব্যুৎপত্তিগত অর্থ হ'ল ভালদৰে আবৃত বা আচ্ছাদিত। মন্ত্রাধিকাৰ প্রসংগত এই শব্দটোৰে গোপন অর্থ প্রকাশিত হৈছে। মন্ত্রণাৰ ঠাইডোখৰ সকলো ফালৰ পৰা গুপ্ত বা সংৰক্ষিত হ'ব লাগে— এই অর্থত সংবৃতপদটোৰ ব্যৱহাৰ হৈছে উক্ত অধ্যায়ত।

(ঘ) শুক-শাৰিকা = কথা ক'ব পাৰা বিধৰ চৰাই। এইবিধ চৰাইবোৰে মানুহৰ কণ্ঠস্বৰ অনুকৰণ কৰি মানুহে উচ্চাৰণ কৰা কথা আয়ত্ত কৰিব পাৰিছিল বুলি বিভিন্ন সূত্রৰ পৰা জনা যায়। এই দুবিধ চৰাইৰ মাতৰ পৰা ৰজাৰ গোপন আলোচনাৰ সম্ভেদ সহজেই পোৱা যায় বুলি কোৱা হৈছিল প্রাচীন ভাৰতীয় প্রেক্ষাপটত।

(ঙ) মন্ত্রভেদী = ৰজাই গোপনে কৰা আলোচনা বা মন্ত্রণাকেই মন্ত্র বুলি কোৱা হয়। যিজনে এই মন্ত্র বা মন্ত্রণাৰ গোপনীয়তা ভংগ কৰে সেইজনকেই মন্ত্রভেদী বুলি কোৱা হয়। সকলো অৱস্থাতেই মন্ত্রভেদীৰ উচ্ছেদ বিধান কৰা হৈছে।

(চ) ইঙ্গিত = মানুহৰ স্বাভাৱিক কার্যকৰণৰ যি চেষ্টা তাৰ পৰা বেলেগ ধৰণৰ চেষ্টাকেই ইঙ্গিত বুলি কোৱা হৈছে। ইঙ্গিতৰ মাজেদি মন্ত্রভেদ হোৱাৰ সম্ভাৱনা থাকে।

(ছ) আকাৰ = আকৃতিগ্রহণকে আকাৰ বুলি অভিহিত কৰা হয়। মানসিক ভাৱে আদি জানিবৰ বাবে সাধনৰূপী অঙ্গসংস্থান বা আকৃতিকেই আকাৰ বুলি কোৱা হয়। আকাৰৰ সহায়ত মনৰ গোপন ভাৱ সহজেই প্রকাশিত হয়। সেই কাৰণে আকাৰক মন্ত্রভেদৰ উপায় হিচাপে চিহ্নিত কৰা হয়।

(জ) যোগ = অপ্রাপ্তবস্তুৰ প্রাপ্তিক যোগ বুলি কোৱা হয়। অর্থাৎ যিটো নাই অথচ আকাংক্ষিত, সেই অভিলষিত বস্তুৰ প্রথম প্রাপ্তিকেই 'যোগ' বুলি অভিহিত কৰা হয়।

(ঝ) ক্ষেম = পোৱা বস্তুৰ সংৰক্ষণকে ক্ষেম বুলি কোৱা হয়। অভিলষিত বা আকাংক্ষিত বস্তুৰ প্রাপ্তিৰ পিছত সেই বস্তুৰ প্রতিপালনকেই 'ক্ষেম' শব্দেৰে অভিহিত কৰা হয়। গীতাৰ নৱম

অধ্যায়ত ভগবানে কৈছে— '... যোগক্ষেমং ৱহাম্যহম্' (৯.২২)।

(ঞ) **মন্ত্রী পৰম্পৰা** = ৰজাই ৰাজকার্য সম্পাদনৰ বাবে মন্ত্রী নিয়োগ কৰে আৰু এই মন্ত্রীসকলে ৰজাক বিভিন্ন বিষয়ত সিদ্ধান্ত লোৱাৰ কামত সহায় কৰে। কিন্তু ৰজাৰ দ্বাৰা নিযুক্ত মন্ত্রীয়ে আকৌ নিজৰ কাম সহজ কৰাৰ উদ্দেশ্যে বেলেগ মানুহক মন্ত্রী বা সহায়ক হিচাপে লগত ৰাখে। এইদৰে ৰজাৰ মন্ত্রী, মন্ত্রীৰ মন্ত্রী— এইদৰে ৰাজ্যত এটা মন্ত্রী পৰম্পৰাৰ সৃষ্টি হয়। মন্ত্রী পৰম্পৰাৰে সহজেই মন্ত্রৰ গোপনীয়তা ভেদ হয়।

(ট) **বিশালাক্ষ** = প্রাচীন ভাৰতৰ ধর্মশাস্ত্রজ্ঞ দণ্ডনীতিবিদ জনা যায় যে ব্রহ্মাই ৰচনা কৰা 'পৈতামহতন্ত্র'ৰ সাৰাংশ গ্রহণ কৰি বিশালাক্ষই 'বৈশালক্ষতন্ত্র' ৰচনা কৰিছিল। কৌটিল্যৰ আলোচনাসন্দর্ভৰ পৰা সহজেই অনুমান কৰিব পাৰি যে এইগৰাকী আচার্য্যই ৰাজ্য শাসনবিষয়ক বহুতো গুৰুত্বপূর্ণ আলোচনা আগবঢ়াইছে তেওঁৰ গ্রন্থত।

(ঠ) **ৰাজবৃত্তি** = ৰাজবৃত্তি শব্দটোৰে ৰজাৰ ব্যৱহাৰক বুজায়। কৌটিল্যৰ মতে প্রত্যক্ষ পৰোক্ষ অনুমেয়া হি ৰাজবৃত্তিঃ। অর্থাৎ ৰজাৰ ৰাজ্য শাসনভিত্তিক ব্যৱহাৰ প্রত্যক্ষ-পৰোক্ষ আৰু অনুমান নির্ভৰ। ৰজাই যিসকল বিষয় নিজে অনুধাৱন কৰে অর্থাৎ যিবোৰ স্বয়ংদৃষ্ট সেইবোৰ প্রত্যক্ষ, যিবোৰ বিষয় বেলেগ কোনো আপ্তব্যক্তিৰ দ্বাৰা উপদিষ্ট হয়, সেইবোৰ পৰোক্ষ আৰু সম্পাদন হোৱা কার্যৰ অংশ নিৰীক্ষণ কৰি অসম্পাদিত কার্যৰ অংশ বিষয়ে লোৱা জ্ঞান বা বোধ হ'ল অনুমানগম্য। এই তিনিপ্রকাৰ সাধনেৰে উপলব্ধ জ্ঞানেৰে ৰজাৰ কার্য সমাধা হয়।

(ড) **মন্ত্রৰক্ষণ** = ৰজাই গোপনে আলোচনা কৰি সিদ্ধান্ত গ্রহণ কৰাৰ বিষয়টোকে মন্ত্র বা মন্ত্রণা বুলি কোৱা হয়। যিহেতু ৰজাৰ সকলো কার্যই মন্ত্রনির্ভৰ তথা মন্ত্রেৰেই সুকলমে সাধিত হয় সেইকাৰণে মন্ত্রৰ গোপনীয়তা ৰক্ষা কৰাটো একান্ত প্রয়োজন। মন্ত্র বা মন্ত্রণাৰ বিষয়বস্তুক আয়ুক্ত পুৰুষৰ বাহিৰে আন কাৰোবাৰ পৰা যিকোনো অবস্থাতে ৰক্ষা কৰাটোকে মন্ত্রৰক্ষণ বুলি কোৱা হৈছে। মন্ত্রজ্ঞান আৰু মন্ত্রৰক্ষণেৰে হে মন্ত্র সফল হ'ব পাৰে। মন্ত্রজ্ঞানৰ পিছত যদি সার্থকভাৱে মন্ত্রৰক্ষণ নহয় তেনেহ'লে ৰাজসিদ্ধান্ত ব্যাহত হয় বা ৰজাৰ কার্য সম্পূর্ণৰূপত বিফল হয়।

(ঢ) **পঞ্চাঙ্গ মন্ত্র** = মন্ত্র বা মন্ত্রণাৰ পাঁচটা অঙ্গ থাকে। ৰাজকার্যৰ প্রাৰম্ভাপায় অর্থাৎ তেনেকুৰা কার্যৰ আৰম্ভণি, পুৰুষ তথা দ্রব্যসম্পত্তি, দেশ আৰু কালৰ বিভাজন, কার্যানুষ্ঠানসম্পর্কীয় বাধাবিঘিনিৰ প্রতিকাৰ তথা কার্যসমাপ্তি— এই পাঁচটা অংগ থাকে মন্ত্র বা মন্ত্রণাকার্যৰ। এই অংগসমূহৰ সার্থক প্রয়োগেৰে মন্ত্র সফল হয় আৰু ৰাজকার্য সুকলমে অতিবাহিত হয়।

(ন) **অবাপ্তার্থ** = মন্ত্রণাৰ মাধ্যমেৰে কোনো নির্দিষ্ট সিদ্ধান্ত বিষয়ে নিশ্চিত জ্ঞান হোৱা ৰজাক অবাপ্তার্থ বুলি কোৱা হৈছে। কৌটিল্যৰ মতে গোপন আলোচনাৰ মাজেৰে কৰিবলগীয়া কামৰ বিষয়ে সিদ্ধান্তসম্বন্ধীয় নিশ্চয় জ্ঞান হোৱাৰ পিছত ৰজাই বৃথা সময় নষ্ট কৰা উচিত নহয়। তেওঁ কৈছে— 'অবাপ্তার্থঃ কালং নাতিক্রাময়েত্'।

(ত) সহস্রাক্ষ = দেবৰাজ ইন্দ্রক সহস্রাক্ষ বুলি অভিহিত কৰা হয়। কৌটিল্যৰ মতে ইন্দ্রৰ মন্ত্রীপৰিষদত এহেজাৰ ঋষি আছিল আৰু এই ঋষিসকল মহাৰাজ ইন্দ্রৰ চকুৰ দৰে আছিল। অর্থাৎ মন্ত্রীপৰিষদত থকা ঋষিসকলে ৰজাক পথ প্রদর্শন কৰিছিল। এশসংখ্যাক চকু থকা কাৰণে ইন্দ্রক সহস্রাক্ষ বুলি অভিহিত কৰা হয়। প্রকৃততে দুটা চকু থকা দেবতা ইন্দ্রই মন্ত্রীপৰিষদৰ অন্তর্ভুক্ত মন্ত্রীৰ সংখ্যাৰে হেজাৰ চকু বিশিষ্ট শক্তিশালী দেবতাত পৰিণত হৈছিল। অর্থশাস্ত্রত কোৱা হৈছে— 'ইন্দ্রস্য হি মন্ত্রীপৰিষদৃষীনাঃ সহস্রম্। সতচ্চক্ষুঃ। তস্মাদিদং দ্বাক্ষং সহস্রাক্ষমাহুঃ।



অগ্রগতি নিৰীক্ষণ

প্রশ্ন নং ৬ ঃ মন্ত্রভেদী কাক কয়?

.....

প্রশ্ন নং ৭ ঃ আকাৰ তথা ইংগিত— শব্দ দুটাৰ অর্থ কি?

.....

প্রশ্ন নং ৮ ঃ মন্ত্রী পৰম্পৰা কেনেদৰে গঢ়ি উঠে?

.....

প্রশ্ন নং ৯ ঃ মন্ত্রৰ পাঁচটা অংগৰ বিষয়ে আলোচনা কৰক।

.....

প্রশ্ন নং ১০ ঃ ইন্দ্রক কিয় 'সহস্রাক্ষ' বুলি কোৱা হয়?

.....

১১.৭ গুৰুত্বপূর্ণ বাক্যৰ ব্যাখ্যা

আচার্য কৌটিল্যৰ অর্থশাস্ত্রত বিভিন্ন প্রসঙ্গত মূল্যবান তত্ত্ব তথা মূল্যবানবচন প্রক্ষিপ্ত হৈ আছে। সেই অনুসৰি মন্ত্রাধিকাৰশীর্ষক অধ্যায়টোতো বহুতো সুভাষিত তথা ৰাজনীতিসম্বন্ধীয় গুৰুত্বপূর্ণ বচন উপনিৱদ্ধ হৈছে। বিভিন্ন বিষয় সম্বন্ধে প্রযুক্ত এই বচনবোৰৰ অর্থবোধ সম্পূর্ণ নহ'লে সংযুক্ত বিষয়ৰ জ্ঞান আধৰুৱা হৈ থাকে। সেই কাৰণে বর্তমান অংশত অর্থশাস্ত্রৰ মন্ত্রাধিকাৰ নামৰ অধ্যায়টোত থকা কিছুসংখ্যক গুৰুত্বপূর্ণ বাক্যৰ ব্যাখ্যা তথা অর্ন্তর্নিহিত অর্থ সহজভাষাৰে আগবঢ়োৱা হৈছে। এই ক্ষেত্রত ব্যৱহাৰ হোৱা পাৰিভাষিক শব্দবোৰৰ অর্থও বিশ্লেষণৰ মাজেৰে দাঙি ধৰা হৈছে। এই ব্যাখ্যা বা বিশ্লেষণাত্মক আলোচনাই পাঠকসকলক বিষয়বোধৰ ক্ষেত্রত সুবিধা কৰি দিব। তদুপৰি বিষয়সম্বন্ধীয় প্রশ্নৰ উত্তৰ লিখাতো এই আলোচনাই যথেষ্ট সহায়ক হ'ব।

(১) মন্ত্রপূর্বাঃ সর্বাৰম্ভাঃ উক্ত বাক্যটো আচার্য কৌটিল্যপ্রণীত অর্থশাস্ত্রগ্রন্থৰ বিনয়াধিকাৰিকৰ অন্তর্গত প্রথমাধিকৰণৰ 'মন্ত্রাধিকাৰ' নামৰ পঞ্চদশ অধ্যায়ৰ পৰা লোৱা হৈছে। ৰজাৰ সকলো কার্যই মন্ত্রপূর্বক হয়— এই বিষয়ে ইয়াত কোৱা হৈছে।

ৰাজনীতি বা দণ্ডনীতিত প্ৰধানপুৰুষ হিচাপে ৰজা থাকিলেও ৰজাৰ একক সিদ্ধান্তই সকলো ক্ষেত্ৰত ফলপ্ৰসূ নহয়। সঠিক সিদ্ধান্ত গ্ৰহণ কৰি কাৰ্যপ্ৰবৃত্তিৰ বাবে প্ৰয়োজন গোপন আলোচনা ৰজাই নিৰ্দিষ্ট মন্ত্ৰীৰ লগত কাৰ্যসিদ্ধিৰ উদ্দেশ্যে যি গোপন আলোচনা কৰে— তাকেই মন্ত্ৰ বুলি অভিহিত কৰা হয়। প্ৰকৃততে সঠিক মন্ত্ৰৰ ওপৰতেই ৰাজকাৰ্যৰ সফলতা নিৰ্ভৰ কৰে। সেই ক্ষেত্ৰত দ্বিধাহীনভাৱে ৰজাই কৰ্মযজ্ঞত আগুৱাই যাব পাৰে। এই কাৰণে আচাৰ্য কৌটিল্যই কৈছে যে সকলো কাৰ্যৰ আৰম্ভ মন্ত্ৰণাপূৰ্বক হয়। জয়াকাংক্ষী ৰজাই মন্ত্ৰপূৰ্বক কাৰ্যত প্ৰবৃত্ত হ'ব লাগে।

(২) **মন্ত্ৰভেদো হি দূতামাত্যস্বামিনামিঙ্গিতাকাৰাভ্যাম্ ঃ** (সন্দৰ্ভ একে)। ৰজাৰ মন্ত্ৰণাৰ গোপনীয়তা কেনেদৰে ভঙ্গ হয় সেই বিষয়ে এই সন্দৰ্ভৰ অৱতাৰণা কৰা হৈছে।

কৌটিল্যই কৈছে যে ৰজাৰ সকলো কাৰ্যৰ আৰম্ভ মন্ত্ৰণাপূৰ্বক হ'ব লাগে। কিন্তু এই মন্ত্ৰৰ গোপনীয়তা ৰক্ষা কৰাটো অত্যন্ত প্ৰয়োজনীয়। মন্ত্ৰৰ গোপনীয়তা ৰক্ষা কৰিব নোৱাৰিলে ৰাজকাৰ্যত ৰজাই সফলতা লাভ নকৰে। মন্ত্ৰৰ গোপনীয়তা ৰক্ষাৰ বাবে সংযুক্ত সকলোৱে যথেষ্ট সৰ্তক হোৱা প্ৰয়োজন। বিভিন্ন প্ৰকাৰে মন্ত্ৰৰ গোপনীয়তা ভঙ্গ হয়। দূত, অমাত্য অথবা ৰজাৰেই ইংগিত আৰু আকাৰৰ দ্বাৰা মন্ত্ৰভেদ হয়। স্বাভাৱিক চেষ্টাৰ বিপৰীতে কৰা চেষ্টাক ইংগিত বুলি কোৱা হয়। মানসিকভাৱে জানিবৰ বাবে সাধন হিচাপে থকা অংগসংস্থান বা আকৃতিক আকাৰ বোলে। দূত, অমাত্য বা স্বয়ং ৰজাই যদি অস্বাভাৱিক চেষ্টা বা অপ্ৰয়োজনীয় আকাৰ প্ৰদৰ্শন কৰে তেনেহ'লে সেই অৱস্থাৰ সহায়ত সহজেই মন্ত্ৰভেদ হয়। মন্ত্ৰভেদকাৰীক সৰ্বথা উচ্ছেদ কৰা উচিত।

(৩) **মন্ত্ৰভেদো হি অযোগক্ষেমকৰং ৰাজ্ঞস্তদাযুক্তপুৰুষানাম্ ঃ** (সন্দৰ্ভত একে)। মন্ত্ৰভেদৰ কুফল সম্বন্ধে উক্ত বাক্যৰ উপস্থাপন হৈছে।

ৰজাৰ সকলো কাৰ্যৰম্ভ মন্ত্ৰপূৰ্বক হয়। প্ৰকৃত মন্ত্ৰণাৰ ওপৰতে ৰজাৰ ৰাজ্য শাসনপ্ৰক্ৰিয়া বৰ্তি থাকে। কিন্তু বিভিন্ন উপায়েৰে মন্ত্ৰভেদ হোৱাৰ সম্ভাৱনা থাকে। মন্ত্ৰৰ গোপনীয়তা ভঙ্গ হ'লে ই ৰাজ্যৰ অমঙ্গল সাধন কৰে। এই উদ্দেশ্যে আচাৰ্য কৌটিল্যই কৈছে যে যদি ৰজাৰ মন্ত্ৰণা প্ৰকাশ পাই যায় অৰ্থাৎ কিবা কাৰণত যদি মন্ত্ৰভেদ হয় তেতিয়াহ'লে সেয়া ৰজা তথা তেওঁ নিযুক্ত কৰা অমাত্যাদি পুৰুষসকল যোগ আৰু ক্ষেমৰ বিনাশ কৰে। অপ্ৰাপ্তবস্তুৰ প্ৰাপ্তিক যোগ আৰু প্ৰাপ্তবস্তুৰ সংৰক্ষণক ক্ষেম বুলি কোৱা হয়। ৰাজ্যৰ উন্নতি যোগক্ষেমৰ ব্যাঘাতবিহীন প্ৰক্ৰিয়াৰ ওপৰত নিৰ্ভৰ কৰে। যদি কিবা কাৰণত মন্ত্ৰভেদ হয় তেনেহ'লে সেয়া ৰজা আৰু তেওঁৰ প্ৰয়োজনীয় পুৰুষসকলৰ যোগ আৰু ক্ষেমৰ প্ৰক্ৰিয়াত বাধাৰ সৃষ্টি কৰে। যোগ আৰু ক্ষেমৰ প্ৰক্ৰিয়াত হোৱা অনিষ্টই সমগ্ৰ ৰাজ্যৰ বাবেই ক্ষতিকাৰক হয়। গতিকে যিকোনো পৰিস্থিতিতেই মন্ত্ৰৰ একান্ত প্ৰয়োজনীয়।

(৪) **সৈষা মন্ত্ৰীপৰম্পৰা মন্ত্ৰং ভিনত্তি ঃ** (সন্দৰ্ভ একে) মন্ত্ৰীপৰম্পৰাৰে মন্ত্ৰভেদ হোৱাৰ কথা কোৱা হৈছে উক্ত বাক্যৰ মাজেদি। কৌটিল্যই কৈছে যে ৰজাৰ ৰাজকাৰ্যৰ সফলতা সম্পূৰ্ণভাবে নিৰ্ভৰ কৰে সাৰ্থক মন্ত্ৰণাৰ ওপৰত। কিন্তু বিভিন্ন ছিদ্ৰেৰে ৰজাৰ গোপন

মন্ত্রণা প্রকাশ পায়। এইধৰণে হোৱা মন্ত্রভেদে ৰাজ্যৰ উন্নতিৰ পথ অৱৰুদ্ধ কৰে। সেই মন্ত্রভেদৰ বিষয়ে ক'বলৈ গৈ আচার্য কৌটিল্যই ভৰদ্বাজশিষ্যৰ 'গুহ্যমেকো মন্ত্রয়েতেতি' অভিমত ব্যক্ত কৰি কৈছে যে মন্ত্রীসকলৰ নিজস্ব মন্ত্রী থাকে। অর্থাৎ ৰজাই ৰাজ্যশাসন সুকলমে লৈ যোৱাৰ বাবে মন্ত্রী নিয়োগ কৰে। বিশ্বস্তমন্ত্রীৰ লগত ৰজাই গোপন মন্ত্রণাত বহে। কিন্তু ৰাজ্যত বিভিন্ন সময়ত মন্ত্রীপৰম্পৰা থকা দেখিবলৈ পোৱা যায়। অর্থাৎ এজন মন্ত্রীৰ অধীনত বেলেগ মন্ত্রী থকাৰ ব্যৱস্থা থাকে। সেই অধীনস্থ মন্ত্রীৰো অধীনত থাকে আন মন্ত্রী। এইদৰে মন্ত্রীৰ পিছত মন্ত্রী, তেওঁৰ মন্ত্রী— এইদৰে ৰাজ্যত এটা মন্ত্রীপৰম্পৰাৰ সৃষ্টি হয়। এনেদৰে সৃষ্ট মন্ত্রীপৰম্পৰাই মন্ত্রভেদ কৰে। অর্থাৎ ৰজাৰ অধীনত থকা মন্ত্রীৰ পৰা মুখে মুখে বাগৰি গৈ মন্ত্রণাৰ গোপনীয়তা ভংগ হয় আৰু এইদৰে মন্ত্রভেদ হোৱা দেখা যায়। সেইকাৰণে ভৰদ্বাজশিষ্যৰমতে ৰজাই অকলশৰীয়া হৈ গোপনে মন্ত্রবিচাৰ কৰাটো উচিত। সেই ক্ষেত্রত মন্ত্রীপৰম্পৰাৰে মন্ত্রভেদ হোৱাৰ সম্ভাৱনা নাথাকে।

(৫) **তস্মাদ্ বুদ্ধিবৃদ্ধৈঃ সার্ধমাসীত মন্ত্রম্ ঃ** (সন্দর্ভ একে)। ৰজাই কাৰ লগত মন্ত্রবিচাৰ কৰিব লাগে সেই বিষয়ে আচার্য কৌটিল্যই উক্ত বাক্যৰ অৱতাৰণা কৰিছে। প্রকৃততে মন্ত্রীপৰম্পৰাৰে মন্ত্রভেদ হোৱাৰ সম্ভাৱনা প্রৱল থাকে কাৰণে বিভিন্ন দণ্ডনীতিবিশেষজ্ঞই এই প্রসংগত বেলেগ বেলেগ অভিমত আগবঢ়াইছে। আচার্য কৌটিল্যই এই বিষয়ে পূর্বাচার্যসকলৰ মতামত আলোচনা কৰি স্বকীয় অভিমত ব্যক্ত কৰিছে।

ভৰদ্বাজশিষ্যৰ মতে ৰজাই অকলশৰীয়া হৈ গোপনে মন্ত্রবিচাৰ কৰা উচিত। কাৰণ মন্ত্রীসকলৰো মন্ত্রী থাকে আৰু এই মন্ত্রীপৰম্পৰাই মন্ত্রভেদ কৰে। আচার্য বিশালাক্ষৰ মতে অকলে ৰজাৰ বাবে মন্ত্রবিচাৰ কৰাটো সম্ভৱপৰ নহয়। কাৰণ ৰজাৰ কার্যসমূহ তথা সিদ্ধান্তবোৰ প্রত্যক্ষ-পৰোক্ষ-অনুমানসাধ্য হয়। কেতিয়াবা ৰজাই নিজৰ প্রত্যক্ষ জ্ঞানৰ পৰা বিচাৰ কৰে, কেতিয়াবা আপ্তজনৰ উপদেশগ্রহণেৰে পৰোক্ষভাৱে বিবেচনা কৰে আকৌ কেতিয়াবা ৰজাই সমাপ্ত কার্যৰ পৰা অসমাপ্তবিষয়ৰ অনুমানেৰে বিচাৰ-বিবেচনা কৰি ৰাজ্যশাসনত প্রবৃত্ত হয়। কিন্তু অনুপলব্ধ বিষয়ৰ জ্ঞান, জ্ঞাতবিষয়ৰ দৃঢ়ীকৰণ, অর্থৰ সন্দেহস্থলত সংশয়ৰ নিৰাকৰণ তথা উপলব্ধ একাংশৰ পৰা অনুপলব্ধ অংশৰ জ্ঞানার্জন— ৰাজকার্যত অতি প্রয়োজনীয় এই সকলো বিষয়েই মন্ত্রীসাধ্য। অর্থাৎ মন্ত্রীসকলৰ লগত আলোচনা কৰিহে এইবোৰ বিষয়ত অগ্রগতি লাভ কৰাটো সম্ভৱপৰ হয়। সেই কাৰণে ৰজাই জ্ঞানবৃদ্ধ পুৰুষসকলৰ লগত মন্ত্রণাকার্যত প্রবৃত্ত হ'ব লাগে। ৰজাই কাকো উপেক্ষা কৰা উচিত নহয়। সকলোৰে মতামত শ্রবণপূর্বক ৰজাই নিজৰ সিদ্ধান্ত গ্রহণ কৰিব লাগে। কাৰণ দেখিবলৈ পোৱা যায় যে সৰু ল'ৰাৰ কথাখিনিও যদি অর্থযুক্ত হয় তেতিয়াহ'লে পণ্ডিতসকলে সেই বচনৰ উপযোগিতা স্বীকাৰ কৰে।

(৬) **নেতি কৌটিল্যঃ অনৱস্থা হ্যেষা ঃ** (সন্দর্ভ একে)। মন্ত্রণাসময়ত ৰজাই সেইবিষয়ে পূর্বাচার্যসকলৰ অভিমত ব্যক্ত কৰি আচার্য কৌটিল্যই এইবিষয়ে স্বকীয় অভিমত ব্যক্ত কৰিছে আলোচ্য বাক্যৰ মাজেদি।

মন্ত্রণাৰ অধিকাংশ বিষয়েই মন্ত্রীসাধ্য গতিকে জ্ঞানবৃদ্ধসকলৰ লগত মন্ত্রণাবিষয়ত ৰজাই

আলোচনা কৰিব লাগেনে এই প্ৰসংগত পৰাশৰশিষ্যসকলে কয় যে এনেদৰে মন্ত্ৰজ্ঞানপ্ৰক্ৰিয়া সাধিত হয় কিন্তু মন্ত্ৰৰক্ষা নহয়। যদি কোৱা হয় যে ৰজাই অভিপ্ৰেত বিষয়ত মন্ত্ৰীসকলক প্ৰতিৰূপকৰ ব্যৱহাৰেৰে শুধিব আৰু তেওঁলোকে দিয়া উত্তৰ অনুসৰণ কৰি সিদ্ধান্ত ল'ব। কাৰণ এইক্ষেত্ৰত মন্ত্ৰৰ জ্ঞানো হ'ব, সংৰক্ষণো হ'ব— সেয়াও ঠিক উপায় নহয় বুলি আচাৰ্য পিশুনে কৈছে যে এনেকুৱা কৰিলে বহুতো সময়ত মন্ত্ৰীসকলে অনাকাংক্ষিতভাৱে সেই বিষয়ে আলোচনা কৰিব অথবা অনাদৰৰ সৈতে বিষয় প্ৰকাশ কৰিব। তাৰ ফলত দোষৰ সৃষ্টি হ'ব। গতিকে পিশুনৰ মতে যি বিষয়ত যিসকল অভিজ্ঞ পুৰুষ, ৰজাই তেওঁলোকৰ লগত নিৰ্দিষ্ট প্ৰসংগ লৈ আলোচনা কৰিব আৰু এনেদৰে ৰজাৰ মন্ত্ৰজ্ঞানো হ'ব আৰু মন্ত্ৰগুপ্তিও সম্ভৱপৰ হ'ব। কিন্তু আচাৰ্য কৌটিল্যৰ মতে এইক্ষেত্ৰত অনবস্থাৰ সৃষ্টি হ'ব। কমসংখ্যক দক্ষ মন্ত্ৰীয়ে ৰজাক সঠিক সিদ্ধান্তৰ ফালে লৈ যাব নোৱাৰে। আনফালে বহুসংখ্যক মন্ত্ৰীৰ লগত আলোচনা কৰিব গ'লে ৰজা বহুবাৰ মন্ত্ৰণাত বহিব লাগিব— যিটো কাৰ্যতঃ অসম্ভৱ। গতিকে ৰজাই তিনিজন বা চাৰিজন মন্ত্ৰীৰ সৈতে মন্ত্ৰণাকাৰ্যত বহিব। এজন মন্ত্ৰীৰ লগত মন্ত্ৰবিচাৰ কৰিলে সংকটৰ সময়ত সেইগৰাকী মন্ত্ৰীয়ে নিশ্চিতভাৱে সিদ্ধান্তবিচাৰ কৰিব নোৱাৰিব। তদুপৰি এজন মন্ত্ৰী থাকিলে তেওঁ স্বেচ্ছাচাৰিতাৰ আশ্ৰয় ল'ব পাৰে। যদি মন্ত্ৰীৰ সংখ্যা দুজন হয় তেতিয়াহ'লে দুজনে একেলগে হৈ কেতিয়াবা ৰজাক নিজৰ বশত আনিব পাৰে অথবা দুজনে বেলেগ বেলেগ চিন্তাধাৰাৰ হ'লে, তেওঁলোকৰ মতভিন্নতাই ৰজাক বিপদত পেলাব পাৰে। গতিকে তিনিজন বা চাৰিজন মন্ত্ৰীক লৈ মন্ত্ৰবিচাৰ কৰিলে ৰজাৰ সিদ্ধান্তত দোষ হোৱাৰ অৱকাশ নাথাকে। ইয়াতকৈ অধিকসংখ্যক মন্ত্ৰীৰ অৱস্থানেৰে মন্ত্ৰ বা মন্ত্ৰৰক্ষা ক্লেশকৰ হৈ থাকে।

(৭) **নাস্য গুহ্যং পৰে ৱিদ্যুঃ ছিদ্ৰং ৱিদ্যাং পৰস্য চ ঃ** (সন্দৰ্ভ একে)। ৰজাৰ গোপন মন্ত্ৰ আদি কেনেকুৱা হোৱা উচিত সেইবিষয়ে আচাৰ্য কৌটিল্যই উক্ত বাক্যৰ অৱতাৰণা কৰিছে।

ৰজাৰ গোপনীয় আলোচনা বা মন্ত্ৰণাৰ বিষয়ে কোনেও জানিব নালাগে। বিজিগীষু ৰজাৰ গৃহীত সিদ্ধান্ত বা চিকীৰ্ষিত বিষয়ৰ কথা কোনেও জানিব নালাগে। বিশেষত শত্ৰুসকলে এইবিষয়ে কোনধৰণৰ সম্ভেদ পাব নালাগে। বৰঞ্চ ৰজাইহে গুপ্তচৰ আদিৰ সহযোগত অথবা নিজৰ বুদ্ধিৰ বলত বেলেগৰ ছিদ্ৰ বা দুৰ্বলতাৰ উমান ল'ব লাগে। এই ক্ষেত্ৰত আচাৰ্যই এটা উপমাৰ ব্যৱহাৰেৰে বিষয়টো স্পষ্ট কৰি তুলিছে। কাছুই যেনেদৰে নিজৰ হাতভৰি আদি অংগসমূহক শৰীৰৰ ভিতৰত লুকাই ৰাখে সেইদৰে ৰজাও নিজৰ বিষয়সমূহক গোপনে ৰাখিব লাগে। তদুপৰি কোনো অশাস্ত্ৰজ্ঞ ব্যক্তিয়ে ৰজাৰ মন্ত্ৰণাৰ সম্ভেদ পাব নালাগে।

এইদৰে কৰিব পাৰিলে ৰজাৰ মন্ত্ৰণাই সাৰ্থক পথেৰে আগবাঢ়িব আৰু সামগ্ৰিকভাৱে ৰাজকাৰ্য সফল হ'ব।



অগ্রগতি নিৰীক্ষণ

প্রশ্ন নং ১১ ঃ মন্ত্রভেদ কেনেকৈ 'অযোগক্ষেমকৰ' হয়?

.....

প্রশ্ন নং ১২ ঃ মন্ত্রীপৰম্পৰাই কি কৰিব পাৰে?

.....

প্রশ্ন নং ১৩ ঃ কৌটিল্যৰ মতে মন্ত্রবিষয়ক অনৱস্থা কি?

.....

প্রশ্ন নং ১৪ ঃ কি প্রসংগত ৰজাৰ কার্যক কাছৰ কার্যৰ লগত তুলনা কৰা হয়?

.....

প্রশ্ন নং ১৫ ঃ 'বুদ্ধিবৃদ্ধ' পদৰ অর্থ কি?

.....



১১.৮ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

এই অধ্যায়টোত আমি নিম্নলিখিত বিষয়সমূহ আলোচনা কৰিলো ঃ

- আচার্য কৌটিল্যৰ বিষয়ে জানিলে।
- কৌটিল্যপ্রণীত অর্থশাস্ত্রৰ নামকৰণৰ তাৎপর্যৰ বিষয়ে অবগত হ'ল।
- কৌটিল্যৰ অর্থশাস্ত্রৰ গুৰুত্বৰ বিষয়ে জানিব পাৰিলে।
- এই গ্রন্থত সন্নিবিষ্ট 'মন্ত্রাধিকাৰ' শীর্ষক অধ্যায়টোৰ বিষয়বস্তুৰ লগত পৰিচিত হ'ল।
- পাঠ্যাংশৰ ভাবানুবাদৰ পৰা উক্ত অধ্যায়ত থকা বিষয়বস্তুৰ গুৰুত্ব অৱগত হ'ল।
- 'মন্ত্রাধিকাৰ' শীর্ষক অধ্যায়ত সন্নিৱিষ্ট বিশেষ শব্দসমূহৰ অর্থৰ লগত পৰিচিত হ'ল।
- তদুপৰি উক্ত অংশত থকা গুৰুত্বপূর্ণ বাক্যসমূহৰ ব্যাখ্যাৰ বিষয়ে জানিলে।

এইদৰে, বর্তমান আপোনাক 'মন্ত্রাধিকাৰ' শীর্ষক অধ্যায়ৰ লগত সামগ্রিকভাৱে পৰিচয় কৰাই দিলে।



১১.৯ অধিক জানিবলৈ

১) মেনন, কে. পি. এ. (১৯৯৮), *কৌটিল্য অন ৰাজনীতি*, নিউ দিল্লী ঃ ৰাষ্ট্রীয় সংস্কৃত সংস্থান।

২) বসু, অনিল চন্দ্র, (১৯৯৯), *কৌটিলীয় অর্থশাস্ত্র,* কোলকাতা ঃ সংস্কৃত বুক ডিপো ।

৩) বাচস্পতি, গৌবোলা, (২০০৩), *কৌটিল্যয় অর্থশাস্ত্রম্,* বাৰানসী ঃ চৌখাম্বা বিদ্যাভৱন।



১১.১০ অগ্রগতিৰ খতিয়ান

১ নং প্রশ্নৰ উত্তৰ ঃ কৌটিল্য, চাণক্য আৰু বিষ্ণুগুপ্তৰ নাম লিখিব লাগিব।

২ নং প্রশ্নৰ উত্তৰ ঃ চণক পদৰ বিষয়ে ব্যাখ্যা দাঙি ধৰিব লাগিব।

৩ নং প্রশ্নৰ উত্তৰ ঃ 'মনুষ্যবতী ভূমি'ৰ বিষয়ে ব্যাখ্যা কৰিব লাগিব।

৪ নং প্রশ্নৰ উত্তৰ ঃ অর্থশাস্ত্রৰ বিষয়বস্তুৰ ইংগিত দিব লাগিব।

৫ নং প্রশ্নৰ উত্তৰ ঃ কৌটিল্যই কোৱা কথাৰে গ্রন্থৰচনাৰ উদ্দেশ্য ব্যাখ্যা কৰিব লাগিব।

৬ নং প্রশ্নৰ উত্তৰ ঃ মন্ত্রণা প্রকাশ কৰিব পাৰা সাধনবোৰৰ কথা লিখিব লাগিব।

৭ নং প্রশ্নৰ উত্তৰ ঃ শব্দৰ অর্থ ব্যাখ্যাৰ পৰা লিখিব লাগিব।

৮ নং প্রশ্নৰ উত্তৰ ঃ শব্দার্থৰ আলোচনাৰ পৰা লিখিব লাগিব।

৯ নং প্রশ্নৰ উত্তৰ ঃ পঞ্চাঙ্গযুক্ত মন্ত্রৰ অঙ্গসমূহৰ অর্থবোৰ পৃথকে পৃথকে আলোচনা কৰিব লাগিব।

১০ নং প্রশ্নৰ উত্তৰ ঃ শব্দার্থ আলোচনা প্রসংগৰ পৰা লিখিব লাগিব।

১১ নং প্রশ্নৰ উত্তৰ ঃ তৃতীয় ব্যাখ্যাত আলোচনা কৰা হৈছে।

১২ নং প্রশ্নৰ উত্তৰ ঃ চতুর্থ ব্যাখ্যাৰ পৰা লিখিব লাগিব।

১৩ নং প্রশ্নৰ উত্তৰ ঃ ষষ্ঠ ব্যাখ্যাত আলোচনা কৰা হৈছে।

১৪ নং প্রশ্নৰ উত্তৰ ঃ সপ্তম ব্যাখ্যাত বিষয়টো আলোচিত হৈছে।

১৫ নং প্রশ্নৰ উত্তৰ ঃ বুদ্ধিবৃদ্ধ পদেৰে জ্ঞানবৃদ্ধক বুজোৱা হৈছে।



১১.১১ আৰ্হি প্রশ্ন

(ক) বস্তুধর্মী প্রশ্ন (৫০ টা শব্দৰ ভিতৰত লিখক)

প্রশ্ন ১ ঃ তলত দিয়া শব্দবোৰৰ অর্থ চমুকৈ লিখক ঃ

(ক) পৰপক্ষ, (খ) মন্ত্রভেদী, (গ) আকাৰ, (ঘ) ইংগিত,

(ঙ) যোগ, (চ) ক্ষেম, (ছ) বিশালাক্ষ, (জ) ৰাজবৃত্তি,

(ঝ) মন্ত্রৰক্ষণ, (ঞ) পঞ্চাঙ্গমন্ত্র, (ট) সহস্রাক্ষ।

(খ) চুটি প্রশ্ন (১৫০ টা শব্দৰ ভিতৰত)

প্রশ্ন ১ ঃ তলৰ বাক্যবোৰৰ ব্যাখ্যা আগবঢ়াওক।

(ক) মন্ত্রপূর্বাঃ সর্বাৰম্ভাঃ।

(খ) মন্ত্রভেদো হি অযোগক্ষেমকৰং ৰাজ্ঞস্তদায়ুক্তপুৰুষানাম।

(গ) সৈষা মন্ত্রীপৰম্পৰা মন্ত্রং ভিনত্তি।

(ঘ) নেতি কৌটিল্যঃ, অনৰস্থা হ্যেষা।

(ঙ) নাস্য গুহ্যং পৰে বিদ্যুঃ ছিদ্রং ৰিদ্যাত্ পৰস্য চ।

(গ) ৰচনাধর্মী প্রশ্ন (৩০০ টা শব্দৰ ভিতৰত)

প্রশ্ন ১ ঃ অর্থশাস্ত্রৰ গুৰুত্বৰ বিষয়ে আলোচনা কৰক।

প্রশ্ন ২ ঃ মন্ত্রাধিকাৰশীর্ষক অধ্যায়ত থকা বিষয়বস্তুৰ সাৰাংশ লিখক।

প্রশ্ন ৩ ঃ অর্থশাস্ত্র এই শিৰোনামৰ বিষয়ে এটি চমুটোকা লিখক।

*** ***** ***